SARADHA

# আজিৰ দৈনিক বাতৰি

RNI Regn. No. ASSASS/2005/14072 ● AJIR DAINIK BATORI ● GUWAHATI    e-paper : www.ajirdainikbatori.com    গুৱাহাটী, ডিব্ৰুগড় আৰু শিৱসাগৰৰ পৰা প্ৰকাশিত

## AJIR DAINIK BATORI – GUWAHATI 24.11.2022

# কেন্সাৰত আক্ৰান্ত শিশুৰ বাবে প্ৰশংসনীয় কাৰ্যত জড়িত চেইণ্ট জুডছ ইণ্ডিয়া

**গুৱাহাটী, ২৩ নৱেম্বৰ ঃ** অসমকে ধৰি উত্তৰ-পূবত কেন্সাৰ আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। শিশুৰ পৰা বৃদ্ধলৈ এই মাৰাত্মক ৰোগত বছৰি বহু লোক আক্ৰান্ত হৈছে। উত্তৰ-পূবৰ আন ৰাজ্যৰ লগতে অসমতো এই ৰোগত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। এনেক্ষেত্ৰত এক বেচৰকাৰী সংস্থা চেইণ্ট জুডছ ইণ্ডিয়াই গুৱাহাটীত চাইল্ড কেয়াৰ চেণ্টাৰ স্থাপনেৰে প্ৰশংসনীয়মূলক কাৰ্যত নামি পৰিছে। তেওঁলোকে কেন্সাৰ আক্ৰান্ত শিশুসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদানৰ দৰে এক গুৰুত্বপূৰ্ণ কাৰ্য যোৱা চাৰিটা বছৰে ৰাজ্যত কৰি আহিছে। তেওঁলোকে কেৱল কেন্সাৰ আক্ৰান্ত শিশুসকলক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰাই নহয়, তেওঁলোকক থকা-খোৱাৰ পৰা সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে। ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটৰ সমীপতে থকা তেওঁলোকৰ কেন্দ্ৰত কেন্সাৰ আক্ৰান্ত শিশুসকলৰ বাবে থকা-খোৱাৰ সু- ব্যৱস্থা কৰি আহিছে। ইমানেই নহয়, শিশুসকলৰ পিতৃ-মাতৃসকলৰ বাবেও থকা-খোৱাৰ ব্যৱস্থা কৰিছে তেওঁলোকৰ কেন্দ্ৰত। উত্তৰ-পূবৰ ভিতৰত গুৱাহাটীতেই থকা একমাত্ৰ কেন্দ্ৰটোত অসমৰ লগতে মণিপুৰ, নাগালেণ্ডকে ধৰি আন ৰাজ্যৰ শিশুসকলেও চিকিৎসাৰ সু- ব্যৱস্থা লাভ কৰি আহিছে। মঙলবাৰে তেওঁলোকৰ কেন্দ্ৰত আয়োজিত এখন সংবাদমেলত চেইণ্ট জুডছ ইণ্ডিয়াৰ অধ্যক্ষা গাৰ্গী মাশ্ৰুৱালাই কয় যে ২০১৮ ত গুৱাহাটীত এই কেন্দ্ৰটো স্থাপন কৰা হৈছিল। কেন্সাৰৰ বিৰুদ্ধে যুঁজ দিবলৈ শিশুসকলক উন্নত যত্নৰ প্ৰয়োজন। সেই যত্ন আগবঢ়োৱাৰ লক্ষ্য-উদ্দেশ্য আগত লৈ কেন্দ্ৰটো গুৱাহাটীত স্থাপন কৰা হৈছিল। গুৱাহাটীত দুটা কেন্দ্ৰ আছে। এই দুয়োটা কেন্দ্ৰত ২৪ গৰাকী কেন্সাৰ ৰোগত আক্ৰান্ত শিশুৰ পৰিয়ালে বিনা খৰচতে থকা-খোৱাৰ উপৰিও চিকিৎসা সেৱা লাভ কৰি আহিছে। ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউটত চিকিৎসাধীন শিশুসকল এই কেন্দ্ৰত থকাৰ সু-ব্যৱস্থা কৰি দিয়া হৈছে। উত্তৰ-পূবৰ সমগ্ৰ ৰাজ্যৰ পৰা অহা শিশুসকলক পৰিয়ালবৰ্গৰ সৈতে সকলো ধৰণৰ যত্ন প্ৰদান কৰি অহা হৈছে। ২০০৬ চনত গঠন হোৱা এই স্বেচ্ছাসেৱী সংস্থাটোৱে টাটা মেম'ৰিয়েল হাস্পতাল, দিল্লীৰ এইমছ, টাটা মেম'ৰিয়েল চেণ্টাৰ, কলকাতা, ডাঃ বি বৰুৱা কেন্সাৰ ইনষ্টিটিউট, গুৱাহাটী আৰু




অন্যান্য চিকিৎসকৰ লগত যোগাযোগ আছে। দেশৰ ৯ খন মহানগৰত এই সেৱা আগবঢ়াই আহিছে। মুম্বাইত জন্ম লাভ কৰা এই সংস্থাটোৱে এতিয়া কলকাতা, হাইদৰাবাদ, জয়পুৰ, ভেলোৰ, চেন্নাই, গুৱহাটী, দিল্লী আৰু বাৰাণসীত এনে সেৱা আগবঢ়াই আহিছে। এই কেন্দ্ৰত শিশুসকলৰ চিকিৎসাৰ সকলো যত্ন লোৱাৰ উপৰিও তেওঁলোকক কাৰিকৰী শিক্ষাও প্ৰদান কৰি অহা হৈছে। এতিয়ালৈ গুৱাহাটী মহানগৰীত এই কেন্দ্ৰত ৪৫০ জনে চিকিৎসাৰ বাবে পঞ্জীয়ন কৰিছে। ব্যক্তিগতভাৱে ১১১ টা শিশুৱে গুৱাহাটীৰ এই কেন্দ্ৰত পঞ্জীয়ন কৰিছে। কেন্সাৰত আক্ৰান্ত শিশুসকলৰ বয়স ১৫ বছৰৰ ভিতৰত। এইসকল শিশুৰ ভৱিষ্যতৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিশেষভাৱে তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰি অহা হৈছে। ইতিমধ্যে বহু কেন্সাৰ আক্ৰান্ত শিশু সুস্থ হৈছে বুলি উল্লেখ কৰি কয় যে, সমগ্ৰ দেশত তেওঁলোকৰ কেন্দ্ৰত ৩১,০০০ জনে পঞ্জীয়ন কৰিছে আৰু ব্যক্তিগতভাৱে ৫০০০ জনে সেৱা লাভ কৰিছে। আগন্তুক সময়ছোৱাত তেওঁলোকৰ কেন্দ্ৰ সম্প্ৰসাৰণ কৰাৰ লক্ষ্য ৰাখিছে। ৰাইজৰ সহায়-সহযোগো বিচাৰিছে। ২০১৮ চনতেই গুৱাহাটীত কেন্সাৰ আক্ৰান্ত শিশুৰ বাবে বিনামূলীয়া সেৱা আৰম্ভ কৰি প্ৰথমবাৰলৈ সংবাদমেল সম্বোধন কৰি এই বেচৰকাৰী সংস্থাটোৰ টীম লীডাৰ বিশাল জৈনে কয় যে, কেন্সাৰ আক্ৰান্ত শিশুসকলৰ যত্ন লোৱাটোৱে তেওঁলোকৰ মূল লক্ষ্য আৰু উদ্দেশ্য। সেই লক্ষ্য-উদ্দেশ্য আগত লৈয়ে কাম কৰি যোৱা হৈছে। সংবাদমেলত উত্তৰ-পূব প্ৰমুখ ল'ৰি গৌৰ উপস্থিত থাকে।